# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI

0000000000

**Date :** 09-01-2026
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

জুবিন গাৰ্গৰ হত্যাকাণ্ডৰ বিচাৰ প্ৰক্ৰিয়া আগবঢ়াই নিবলৈ ৰাজ্য চৰকাৰে ৫ গৰাকী লোক অধিবক্তাৰ এটা দল গঠন কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি মন্ত্ৰীগোটৰ বৈঠকৰ অন্তত সংবাদ মাধ্যমৰ আগত এইকথা সদৰি কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে লোক অধিবক্তাৰ দলটোত কেইবাগৰাকীও অভিজ্ঞ আৰু জ্যেষ্ঠ অধিবক্তা আছে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা জিয়াউৰ কামাৰ, বজেন্দ্ৰ মোহন চৌধুৰী, কিশোৰ দত্ত, প্ৰাঞ্জল দত্ত আৰু  বিকাশ জামাৰক গোচৰটো আগবঢ়াই নিবলৈ বিশেষভাৱে দায়িত্ব দিয়া হৈছে। মুখ্যমন্ত্ৰীগৰাকীয়ে  লগতে কয় যে ৰাজ্য চৰকাৰে জুবিন গাৰ্গ ন্যাসলৈ ৫ কোটি টকাৰ আৰ্থিক সাহায্য প্ৰদান কৰাৰ সিদ্ধান্ত লৈছে। মন্ত্ৰীগোটৰ বৈঠকত অহা ১৭ আৰু ১৮ জানুৱাৰীত প্ৰধানমন্ত্ৰী অসম ভ্ৰমণ সন্দৰ্ভতো বিতংভাৱে আলোচনা কৰা হয়।

০০০

অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা, এ ডি আৰ ইত উত্তীৰ্ণ ৪ হাজাৰ ৩৭৪ গৰাকী চতুৰ্থ বৰ্গৰ প্ৰাৰ্থীৰ মাজত আজি নিযুক্তি পত্ৰ বিতৰণ কৰা হয়। গুৱাহাটীৰ খানাপাৰাৰ নৱনিৰ্মিত জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, ৰাজ্য চৰকাৰৰ সাধাৰণ প্ৰশাসন বিভাগৰ আয়ুক্ত সচিব এম এছ্ মণিৱন্নন, মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, ৰঞ্জিত কুমাৰ দাসকে ধৰি কেইবাগৰাকী মন্ত্ৰী উপস্থিত থাকে।

-বাইট (মুখ্যমন্ত্ৰী)-

ইফালে, এ ডি আৰ ইত উত্তীৰ্ণ ৬ হাজাৰ ৩৪৭ গৰাকী তৃতীয় বৰ্গৰ প্ৰাৰ্থীক কাইলৈ সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত  নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। একেদৰে ১২ জানুৱাৰীত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় প্ৰেক্ষাগৃহত আয়োজিত এটা অনুষ্ঠানত এ ডি আৰ ইত উত্তীৰ্ণ ২৯২ গৰাকী চাহ জনগোষ্ঠীৰ প্ৰাৰ্থীৰ মাজত নিযুক্তি পত্ৰ বিতৰণ কৰা হ'ব। এই নিযুক্তি সম্পন্ন হ'লে নতুনকৈ নিযুক্তি লাভ কৰা প্ৰাৰ্থীৰ সংখ্যা ১ লাখ ৫৬ হাজাৰ ৬৭৭লৈ বৃদ্ধি পাব।

০০০

আৰক্ষী সঞ্চালক প্ৰধান হৰমিত সিঙে আজি উলুবাৰীৰ অসম আৰক্ষী ইনষ্টিটিউটত আয়োজিত এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত আৰক্ষীৰ বিভিন্ন পৰ্যায়ৰ বিষয়াক ২০২৫ বৰ্ষৰ শিশু মিত্ৰ বঁটা প্ৰদান কৰে। শিশুক ন্যায় প্ৰদান, শিশুৰ অধিকাৰকে ধৰি বিভিন্ন দিশত অৰিহণা আগবঢ়োৱা আৰক্ষী বিষয়াসকলক এই বঁটা প্ৰদান কৰা হয়। বঁটা প্ৰদান কৰি আৰক্ষী সঞ্চালক প্ৰধান হৰমিত সিঙে কয়, যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শিশুৰ

বিৰুদ্ধে সংঘটিত অপৰাধ ৰোধৰ বাবে এক সুস্পষ্ট দৃষ্টিভংগী গ্ৰহণ কৰিছে। এই দৃষ্টিভংগিক বাস্তৱায়িত কৰাৰ লক্ষ্যৰে অসম আৰক্ষীয়ে শিশুৰ সৈতে জড়িত গোচৰসমূহ খৰটকীয়াভাৱে নিষ্পত্তি কৰাৰ বাবে যৎপৰোনাস্তি চেষ্টা কৰি আহিছে। তেওঁ লগতে কয় যে তৃতীয়বাৰৰ বাবে প্ৰদান কৰা এই বঁটাৰ উদ্দেশ্য হৈছে শিশুৰ অধিকাৰ তথা ন্যায় সুনিশ্চিত কৰাৰ ক্ষেত্ৰত আৰক্ষী বিষয়াসকলক অনুপ্ৰাণিত কৰা। শিশুৰ সুৰক্ষা তথাঅধিকাৰ সুনিশ্চিতৰ বাবে বিশেষভাৱে কাম কৰা আৰক্ষীৰ মূল অংশীদাৰি বিভাগৰ ব্যক্তিকো আজি এই বঁটা প্ৰদান কৰা হয়।

০০০

যোৰহাট জিলাৰ পি এম শ্ৰী বিদ্যালয়সমূহৰ স্থিতি সন্দৰ্ভত  জিলা আয়ুক্ত জয় শিৱানিৰ অধ্যক্ষতাত এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত এই বৈঠকত অতিৰিক্ত জিলা আয়ুক্ত, বিদ্যালয়সমূহৰ পৰিদৰ্শক, জিলা প্ৰাথমিক শিক্ষা বিষয়া, জিলা কাৰ্যসূচী বিষয়া, এফ এ অ', জে ই এছ, এফ এল এম কনচালটেণ্ট, ডাটা এনালিষ্ট আৰু জিলাখনৰ পি এম শ্ৰী বিদ্যালয়সমূহৰ প্ৰধান শিক্ষকসকল উপস্থিত থাকে। ডিজিটেল পুথিভড়াল স্থাপন, ভাৰতীয় জ্ঞান ব্যৱস্থা, বৈদিক গণিত প্ৰসাৰ আৰু সেউজ বিদ্যালয়ৰ পদক্ষেপ ৰূপায়ণৰ বিশেষ গুৰুত্ব আৰোপ  কৰি পি এম শ্ৰী বিদ্যালয়ৰ প্ৰয়োজনীয়তা আৰু অগ্ৰগতিৰ বিষয়ে  বিতংভাৱে আলোচনা কৰা হয়। বিদ্যালয়ৰ সামগ্ৰিক প্ৰদৰ্শন বৃদ্ধি আৰু গুণগত শিক্ষা নিশ্চিত কৰাৰ প্ৰয়োজনীতা সন্দৰ্ভত গুৰুত্ব আৰোপ কৰি বিদ্যালয়ৰ গুণগত মান মূল্যায়ন বিষয়ত আলোচনা কৰা হয়। পি এম শ্ৰী পদক্ষেপসমূহৰ সফল ৰূপায়ণ আৰু বিদ্যালয়ৰ মান উন্নত কৰিবলৈ জিলা আয়ুক্তগৰাকীয়ে সকলোৰে প্ৰতি আহ্বান জনায়।

০০০

মৰিগাওঁ জিলা পক্সো আদালতে আজি আশ্ৰাফুল ইছলাম আৰু ৰছিদুল ইছলাম নামৰ দুই ধৰ্ষণকাৰীক ৭ বছৰৰ সশ্ৰম কাৰাদণ্ডৰ নিৰ্দেশ দিয়ে। ২০১৮ চনত দুই অপৰাধীৰ বিৰুদ্ধে লাহৰিঘাট আৰক্ষী থানাত এটা ধৰ্ষণকাণ্ডৰ গোচৰ ৰুজু হৈছিল। এই গোচৰৰ তদন্ত কৰি আৰক্ষীয়ে মৰিগাওঁ জিলা পক্সো আদালতত অভিযোগনামা দাখিল কৰিছিল। প্ৰায় ছবছৰ ধৰি চলা শুনানিৰ অন্তত আদালতে দুই ধৰ্ষণকাৰীক ৭ বছৰ সশ্ৰম কাৰাদণ্ডৰ লগতে ১৫ হাজাৰ টকাৰ জৰিমণা আদায়ৰ নিৰ্দেশ দিয়ে।

০০০০০

**ঃঃ সমাপ্ত ঃঃ**